# SESSIONAL EXAMINATION - 2023
## B.A. 2nd Semester
## Sub : Assamese (Hons)
Paper : ASM-HC-2016

Full marks : 30 Time : 1 Hour

১। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ- ১×৫=৫

(ক) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা?

(খ) অসমীয়া ভাষাত অৰ্ধস্বৰ কেইটা?

(গ) ভাষাৰ লগত সমাজৰ সম্বন্ধ আছেনে?

(ঘ) শব্দ আৰু প্ৰাকৃতি একেনে?

(ঙ) ভাষাৰ ক্ষুদ্ৰতম অৰ্থবহ গোটৰ নাম কি?

(চ) বাক্যৰ সহায়ত বক্তাৰ বক্তব্য পূৰ্ণৰূপে প্ৰকাশ পায় নে?

২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা ঃ- ২×৫=১০

(ক) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি?

(খ) চাৰিটা অল্পপ্ৰাণ ধ্বনি উল্লেখ কৰা।

(গ) বাক্যৰ নিকটস্থ উপাদান বুলিলে কি বুজা?

(ঘ) ভাষা বিজ্ঞানৰ দুটা ভাগৰ নাম লিখা।

(ঙ) ধ্বনিতত্ত্ব বুলিলে কি বুজা?

(চ) ব্যাকৰণৰ দুটা ভাগৰ নাম উল্লেখ কৰা।

৩। চমুটোকা লিখা ঃ- (যিকোনো এটা) ৫×১=৫

(ক) বৰ্ণনাত্মক ভাষাবিজ্ঞান।

(খ) সমাজ ভাষাবিজ্ঞান।

P.T.O.

(গ) শব্দাৰ্থ পৰিৱৰ্তনৰ ত্ৰিধাৰা।

৪। বহলাই লিখা ঃ- (যিকোনো এটা) ১০×১=১০

(ক) বিশিষ্ট স্বৰধ্বনি বুলিলে কি বুজা ? অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা আৰু কি কি ? বিশিষ্ট স্বৰধ্বনি লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা।

(খ) ব্যাকৰণ বুলিলে কি বুজা ? ব্যাকৰণৰ প্ৰকাৰভেদ সম্পৰ্কে এক আলোচনা যুগুত কৰা।

# SESSIONAL EXAMINATION - 2023
## B.A. 2nd Semester
## Sub : Assamese (Hons)
## Paper : ASM-HC-2026

Full marks : 30 — Time : 1 Hour

১। উত্তৰ দিয়া ঃ- (যিকোনো পাঁচটা) ১×৫=৫

(ক) অসমীয়া চুটি গল্পৰ জনক কোন ?

(খ) 'ৰীতিৰাত্মা কাব্যস্য' — বুলি কোনে কৈছিল ?

(গ) 'নন্দনতত্ব প্ৰাচ্য আৰু পাশ্চাত্য' গ্ৰন্থখনৰ ৰচক কোন ?

(ঘ) ভৰতমুনি মতে ৰসৰ সংখ্যা কিমানটা ?

(ঙ) প্ৰথম আধুনিক অসমীয়া উপন্যাস খনৰ নাম কি ?

(চ) 'ট্ৰেজেদী বিচাৰ' গ্ৰন্থখনৰ লেখক কোন ?

২। চমু উত্তৰ দিয়া ঃ- (যিকোনো পাঁচটা) ২×৫=১০

(ক) দুটা চুটি গল্পৰ বৈশিষ্ট্য লিখা।

(খ) আৱাহন কাকতখন কেতিয়া প্ৰকাশ হৈছিল ? ইয়াৰ প্ৰথম সম্পাদক কোন আছিল ?

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন গল্প সংকলনৰ নাম লিখা।

(ঘ) বিভাৱ কি ?

(ঙ) ব্যভিচাৰী ভাৱ কি ?

(চ) স্থায়ী ভাৱ কি ?

৩। চমুটোকা লিখা ঃ- (যিকোনো দুটা) ৫×১=৫

ট্ৰেজেদী, ৰস, এবছাৰ্ড নাটক, অংকীয়া নাট।

P.T.O.

৪। চুটি গল্প আৰু উপন্যাসৰ মাজত থকা মিল আৰু অমিলবোৰৰ বিষয়ে বহলাই আলোচনা কৰা। ১০

অথবা

"বিভাৱানুভাৱব্যভিচাৰি সংযোগাদ ৰস নিস্পত্তি" ঃ — কথাষাৰ বহলাই আলোচনা কৰা।

# SESSIONAL EXAMINATION - 2023
## B.A. 2nd Semester
## Sub : Assamese
### Paper : ASM-HG/RC-2016

Full marks : 30 Time : 1 Hour

১। অতি চমু প্ৰশ্নৰ উত্তৰ লিখা ঃ- (যিকোনো পাঁচটা) ১×৫=৫

(ক) বিহু গীতবোৰ কি ছন্দত ৰচিত?

(খ) কৰ্মবিষয়ক লোকগীতৰ এটি নাম লিখা।

(গ) নামনি অসমত যোৰা নামক কি বুলি কোৱা হয়?

(ঘ) শংকৰদেৱৰ শ্ৰেষ্ঠতম কীৰ্তিস্তম্ভ খনৰ নাম লিখা।

(ঙ) 'প্ৰহ্লাদ চৰিত'ৰ লিখক কোন?

(চ) মালিতাক ইংৰাজীত কি বুলি কোৱা হয়?

(ছ) মাধৱদেৱ ৰচিত এখন কাব্য পুথিৰ নাম লিখা।

২। চমু প্ৰশ্নৰ উত্তৰ লিখা ঃ- (যিকোনো পাঁচটা) ২×৫=১০

(ক) হৰিবৰ বিপ্ৰৰ দুখন যুদ্ধ কাব্যৰ নাম লিখা।

(খ) অনুষ্ঠানমূলক লোকগীত দুটাৰ নাম লিখা।

(গ) মাধৱদেৱৰ পিতৃ-মাতৃৰ নাম লিখা।

(ঘ) শঙ্কৰদেৱ ৰচিত দুখন অংকীয়া নাটৰ নাম লিখা।

(ঙ) বৰগীত কাক বোলে?

(চ) বুৰঞ্জীমূলক মালিতা দুটাৰ নাম লিখা।

৩। চমুটোকা লিখা ঃ- (যিকোনো এটা) ৫×১=৫

হেম সৰস্বতী, মাধৱকন্দলী, শঙ্কৰদেৱ, লোকগীত।

P.T.O.

৪। দীঘল প্ৰশ্নৰ উত্তৰ লিখা ঃ- (যিকোনো এটা) ১০×১=১০

লোক সাহিত্য কাক বোলে? লোক সাহিত্যক কেইটা ভাগত ভাগ কৰা হৈছে? প্ৰতিটো ভাগৰে বিশ্লেষণাত্মক আলোচনা দাঙি ধৰা।

অথবা

শংকৰদেৱৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা দাঙি ধৰা।

অথবা

মালিতা কি? মালিতাক কেইটা ভাগত ভাগ কৰা হৈছে? প্ৰতিটো ভাগৰে আলোচনা দাঙি ধৰা।